2020

ASSAMESE

(Major)

Paper : 6.3

১/ অতি চমুকৈ উত্তৰটো লিখা : ১×৬= ৬

ক) প্ৰথম আধুনিক অসমীয়া উপন্যাসখনৰ নাম কি ?

খ) 'জ্ঞানমালিনী'ৰ কবি কোন ?

গ) 'ভিখাৰিণী' গল্পৰ গল্পকাৰগৰাকীৰ নাম লিখা ।

ঘ) 'পোষ্টমাষ্টাৰ' চুটিগল্পটো প্ৰথমে ক'ত প্ৰকাশ পায় ?

ঙ) কোনগৰাকী কবিক 'অভিনৱ জয়দেৱ ' উপাধিৰে বিভূষিত কৰা হয় ?

চ) মালা কোন ?

২/ চমুকৈ উত্তৰটো লিখা : ২×৪= ৮

ক) কিমান চনত জোনাকী কাকত প্ৰকাশ পাইছিল আৰু এই কাকতৰ প্ৰতিষ্ঠাপক কোন ?

খ) প্ৰেমচন্দৰ দুখন গল্পপুথিৰ নাম লিখা ।

গ) মাণিক বন্দোপাধ্যায়ৰ প্ৰথম উপন্যাসখনৰ নাম কি আৰু কিমান চনত প্ৰকাশ হৈছিল ?

ঘ) দুগৰাকী ছায়াবাদী কবিৰ নাম লিখা ।

৩/ যিকোনো দুটা উত্তৰ লিখা : ৩×২=৬

ক) 'কফন' গল্পটিৰ তাৎপৰ্য দাঙি ধৰা ।

খ) ভাৰতীয় সাহিত্য বুলিলে কি বুজা ?

গ) হিন্দী সাহিত্যৰ আধুনিক কালক কেইটা শ্ৰেণীত ভাগ কৰা হৈছে আৰু কি কি ?

ঘ) 'পদ্মা নদীৰ মাঝি ' উপন্যাসখনৰ নামকৰণ সম্পৰ্কত মতামত দিয়া ।

৪/ (প্ৰতিটো প্ৰশ্ন ১০ নম্বৰকৈ )

ক) যুদ্ধোত্তৰ যুগৰ অসমীয়া কাব্য সাহিত্যৰ বিষয়ে এটি আলোচনা দাঙি ধৰা ।

অথবা

ৰবীন্দ্ৰনাথ ঠাকুৰৰ ' পোষ্টমাষ্টাৰ গল্পটিৰ এটি পৰ্যালোচনা আগবঢ়োৱা ।

খ) মাণিক বন্দোপাধ্যায়ৰদ্বাৰা ৰচিত 'পদ্মা নদীৰ মাঝি' উপন্যাসত সমাজ জীৱনৰ চিত্ৰ কিদৰে ফুটি উঠিছে আলোচনা কৰা ।

অথবা

'ময়লা আঁচল ' উপন্যাসখনৰ গদ্যশৈলীৰ বিষয়ে লিখা ।